জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৬৮২/২০২০

# ডিব্ৰুগড়ত সদৌ অসম মৌজাদাৰ সন্মিলনৰ বিষয়ববীয়াই সাক্ষাত কৰিলে মুখ্যমন্ত্ৰী সোণোৱালক

**দিছপুৰ, ১২ অক্টোবৰ ঃ** সদৌ অসম মৌজাদাৰ সন্মিলনৰ বিষয়ববীয়াসকলে আজি ডিব্ৰুগড়ত মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালক সাক্ষাত কৰি তেওঁলোকৰ বিভিন্ন অভাৱ -অভিযোগ সন্দৰ্ভত আলোচনা কৰে। আজি ডিব্ৰুগড় জিলাৰ উপায়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত সদৌ অসম মৌজাদাৰ সন্মিলনৰ বিষয়ববীয়াৰে হোৱা আলোচনাত সন্মিলনৰ বিষয়ববীয়াসকলে ৰাজহ বৃদ্ধিৰ বাবে ৰাজ্যখনত ভূমিৰ পুনৰ জৰীপ কৰা, ভূমিৰ পুনঃ শ্ৰেণী পৰিৱৰ্তন আৰু ৰাজহ নিৰ্ধাৰণৰ প্ৰয়োজনীয়তা সন্দৰ্ভত মুখ্যমন্ত্ৰীক অৱগত কৰে। আলোচনাকালত মৌজাদাৰৰ কাৰ্যালয়ৰ আন্তঃগাঁথনি আধুনিকীকৰণৰ প্ৰয়োজনীয়তা, প্ৰতিমাহে চৰকাৰৰ পৰা প্ৰদান কৰা ৰাজসাহায্যৰ পৰিমাণ বৃদ্ধি, মৌজাদাৰসকলক চিকিৎসাজনিত সুবিধা প্ৰদান আদি বিষয়ো তেওঁলোকে উত্থাপন কৰে। আলোচনাকালত মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আগন্তুক দুমাহৰ ভিতৰত তেওঁলোকৰ সমস্যাৰাজি সমাধানৰ বাবে ব্যৱস্থা গ্ৰহণৰ আশ্বাস প্ৰদান কৰে।

ইফালে আজি উপায়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত অনুষ্ঠিত আন এক বৈঠকত মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে তিনিচুকীয়া জিলাৰ উপায়ুক্ত দিগন্ত শইকীয়া, আৰক্ষী অধীক্ষক শিলাদিত্য চেতিয়া, আৰু বন বিভাগৰ বিষয়ববীয়াৰ লগতে টি এম পি কেৰ প্ৰতিনিধিৰ সৈতে লাইকা-দধীয়াবাসীৰ পুনৰ সংস্থাপন সন্দৰ্ভত এক আলোচনাত মিলিত হয়।

বৈঠকত কেন্দ্ৰীয় খাদ্য সংসাধন দপ্তৰৰ ৰাজ্যিক মন্ত্ৰী ৰামেশ্বৰ তেলী, ৰাজ্য চৰকাৰৰ চাহ জনজাতি কল্যাণ বিভাগৰ (স্বতন্ত্ৰ) মন্ত্ৰী সঞ্জয় কিষাণ, বিধায়কসকলক্ৰমে প্ৰশান্ত ফুকন, ঋতুপৰ্ণ বৰুৱা, তেৰছ গোৱালা, বিনোদ হাজৰিকা, চক্ৰধৰ গগৈ উপস্থিত থাকে।

**সুঃমিঃকঃ / বঃভাঃ**
**১২/১০/২০২০**